আমাৰ কলম

এন আৰ চি আৰু নাগৰিক সমাজ

■ ডিম্বেশ্বৰ কলিতা

'আমাৰ অসম'ৰ ২০ ছেপ্টেম্বৰৰ সংখ্যাৰ এই স্তম্ভতে বসন্ত ডেকাই এন আৰ চি আৱেদন-পত্ৰ পৰীক্ষণ সন্দৰ্ভত সংশ্লিষ্ট ৫,০০০ বিষয়া-কৰ্মচাৰীক গভীৰ নিষ্ঠাৰে এক ঐতিহাসিক দায়িত্ব পালন কৰি জাতিৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ বাবে সময়োচিত তাগিদাসুলভ আহ্বান জনাইছিল। ৫,০০০ সংখ্যাটোৰ তাৰতম্যতালৈ নগৈও ডেকাৰ আৱেগসিক্ত অথচ যুক্তিবিধৌত লেখাই সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলক নিশ্চয় সপ্ৰতিভ আৰু অনুপ্ৰেৰিত কৰিছে। অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ 'নথি-পত্ৰ/পৰিচয় পৰীক্ষণ' পৰ্যায়ৰ কাম ২০১৫ চনৰ ১ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈছে। ৬৮ লাখ পৰিয়ালে আৱেদন-পত্ৰ দাখিল কৰিছে। প্ৰতি ৭ পৃষ্ঠাত